# সৰ্ব্বোত্তম জীৱন

## যীচুৰ জীৱন, মৃত্যু আৰু পুনৰুত্থান

**ল'ৰা-ছোৱালীক শিক্ষণ দিয়াসকলে অধ্যয়ন J1b পঢ়া উচিত।**

**প্ৰাৰ্থনা ঃ** "স্বৰ্গীয় পিতৃ, মোক আৰু তোমাৰ মেৰবিলাকক যীচুৰ সেই আচৰিত জীৱন, যি জীৱন তেওঁ এই পৃথিৱীত থাকোতে অতিবাহিত কৰিছিল, সেই বিষয়ে শিকিবলৈ দিয়ক, যাতে তুমি আমাৰ বাবে যি কৰিছিলা তাৰ বাবে তোমাক একেলগে ধন্যবাদ দিব পাৰো।"

**১। মহৎ জীৱনৰ বিষয়ে শিক্ষা দিবলৈ আপোনাৰ মন আৰু হৃদয় প্ৰাৰ্থনাৰে যুগুত কৰক।**

আপোনাৰ মেৰবোৰক যীচুৰ বিষয়ে শুভবাৰ্ত্তা এনেভাবে শিকাওক যেন তেওঁলোকে আনক তেওঁৰ বিষয়ে কব পাৰে।

যিহুদীবিলাকে মচীহ বা খ্ৰীষ্ট্ বোলা যীচু এই জগতলৈ অহাৰ পূৰ্ব্বে পুৰণি নিয়মৰ ভাৱবাদীবিলাকে ৩০০ শ অধিক বাৰ ভৱিষ্যৎবাণী কৰিছিল।

সাতজন ভাববাদীৰ প্ৰত্যেকজনেই জগতলৈ আহিব লগা সেই প্ৰতিজ্ঞাৰ মচীহৰ (খ্ৰীষ্ট) বিষয়ে কি কৈছিল চাওক ঃ

(ক) অব্ৰাহাম (আদিপুস্তক ২২ঃ১৮)

(খ) মোচি (দ্বিতীয় বিৱৰণ ১৮ঃ১৮-১৯)

(গ) যিচয়া (যিচয়া ৫৩ঃ৭-৮)

(ঘ) দায়ূদ (গীতমালা ২ঃ৭)

(ঙ) দায়ূদ (গীতমালা ১৬ঃ৮-১১)

(চ) নাথন (২ চমুৱেল ৭ঃ১৬)

(ছ) যোহন বাপ্তাইজক (লূক ৩ঃ১৫-১৭)

মচীহ যেতিয়া এই জগতলৈ আহিছিল, অনেক চাক্ষুস সাক্ষীয়ে তেওঁ যি যি কৰিছিল, সেইসকলো শুনিছিল আৰু দেখিছিল আৰু কিছুমানে সেইবোৰ নতুন নিয়ম পুস্তকত লিখিছিল। যীচুৰ পাঁচনিবিলাকে তেওঁৰ বিষয়ে সাতোটা কথা কৈছিল, যিকেইটা তেওঁলোকে অতি প্ৰয়োজনীয় বুলি ভাবিছিল।

**(ক)** যীচু যেতিয়া পৃথিৱীত আহিছিল, তেওঁ মানুহৰ কাৰণে কাম কৰি তেওঁনো কোন হয় দেখুৱাইছিল। এইকেইটা বাইবেলৰ শাস্ত্ৰাংসত যীচুৱে কি কৰিছিল চোৱা

- অন্ধবিলাকৰ কাৰণে (মথি ৯ঃ২৭-৩১ পদ)
- ভূতে পোৱা এজন মানুহৰ কাৰণে (মথি ৯ঃ৩২-৩৩ পদ)
- এটি মৃত্যু হোৱা সন্তানৰ কাৰণে (লূক ৮ঃ৪৯-৫৫ পদ)

**(খ)** যীচুৱে ঈশ্বৰৰ পবিত্ৰতাৰ বিষয়ে, বিশ্বাস কেনেকৈ হ'ব লাগে, আৰু কেনেকৈ পবিত্ৰ আৰু আনন্দপূৰ্ণ জীৱন-যাপন কৰিব লাগে সেই বিষয়ে মানুহবিলাকক শিক্ষা দিছিল। তেওঁ সাধাৰণ বস্তুৰ কাহিনী যেনে এজন মানুহে গুটি সিঁচা গল্পৰ দ্বাৰাই শিক্ষা দিছিল। এই শাস্ত্ৰাংসখিনিত চোৱা ঃ



- এনে ধৰণৰ মানুহবোৰ যাক ঈশ্বৰে আশীৰ্ব্বাদ কৰিব। (মথি ৫ঃ১-১৬)
- যীচুৰ অনুগামী সকলে কেনে ধৰণৰ জীৱন-যাপন কৰিব লাগে। (যোহন ১৪ঃ১-১৭)

- ভৱিষ্যতে পৃথিৱীৰ কি হ'ব? (মথি ২১ঃ৩১)।

(গ)

- 
- 
- 

(ঘ) তিনিদিনৰ পিচত ঈশ্বৰে পুনৰায় যীচুক জীৱন দান কৰিলে।

- যীচুৱে মৃত্যুবৰণ কৰাৰ আগতেই কোৱাৰ দৰে (মাৰ্ক ৯ঃ৩১-৩২)
- স্বৰ্গৰ দুতে দিয়া জাননীৰ দ্বাৰাই (মথি ২৮ঃ১-১০ পদ)
- যীচুৱে মৃত্যুৰ পৰা জী উঠাৰ পিচত বৰ্ণনা কৰাৰ দৰে, (প্ৰকাশিত বাক্য ১ঃ১৭-১৮ পদ)

(ঙ) যীচুক চিনি পোৱা অনেক লোকৰ আগত তেওঁ দৰ্শন দিছিল, আৰু এই লোকবিলাক তেওঁৰ সাক্ষী হল। চাওক

- তেওঁ জীৱিত বুলি যীচুৱে কেনেকৈ প্ৰমাণ কৰিছিল। (লূক ২৪ঃ৩৬-৪৩)
- যীচুৱে কিহৰ বিষয়ে কৈছিল (পাঁচনিৰকৰ্ম্ম ১ঃ১-৩ পদ) "কিহৰ বিষয়ে"???? অস্পষ্ট।
- কাৰ আগত তেওঁ দৰ্শন দিছিল? (১ কৰিন্থীয়া ১৫ঃ৩-৮ পদ)।

(চ) যীচুৱে তেওঁলৈ ঘূৰা সকলোকে ক্ষমা কৰিব বুলি প্ৰতিজ্ঞা কৰিছিল। পুনৰুত্থিত খ্ৰীষ্টই কি কৈছে এই শাস্ত্ৰাংসবিলাকত মন কৰক -

- ক্ষমাৰ বিষয়ে (লূক ২৪ঃ৪৪-৪৮ পদ)
- ঈশ্বৰৰ পবিত্ৰ আত্মাৰ বিষয়ে (পাঁচনিকৰ্ম্ম ১ঃ৪-৮ পদ)
- যীচুৰ অনুগামী কিদৰে হ'বলগা সেই বিষয়ে, (মথি ২৮ঃ১৬-২০)

(ছ) তেওঁ পুনৰায় ঘুৰি নহালৈকে ঈশ্বৰে যীচুক স্বৰ্গলৈ নিলে। এই শাস্ত্ৰাংসবিলাক মন কৰক -

- দূতে যীচুৰ শিষ্যসকলক কি কৈছিল। (পাঁচনিৰকৰ্ম্ম ১ঃ৯-১১)
- যীচুৱে তেওঁৰ শত্ৰুবোৰক কি কৈছিল। (মাৰ্ক ১৪ঃ৬০-৬২)
- যিবিলাকে আনৰ পৰিচৰ্য্যা কৰে তেওঁবিলাকক যীচুৱে কি কব। (মথি ২৫ঃ৩১-৩৪)

২। **আহিবলগা সপ্তাহটোত কৰিবলগীয়া কামবোৰৰ সম্বন্ধে আপোনাৰ সহ-কৰ্ম্মীৰ লগত ঠিক কৰি লওক।**

- আপোনাৰ সংস্কৃতিয়ে যদি চিত্ৰকলাৰ কাম কৰিব দিয়ে তেনেহলে এগৰাকী চিত্ৰকাৰক যীচুৰ সাতোটা সত্য কথাৰ বিষয়ে ৰং বা ছবি আঁকিবলৈ দিয়ক। যীচুৰ বিষয়ে প্ৰধান কথা কেইটা মুখস্থ কৰি কবলৈ অভ্যাস কৰক। তাৰ পিচত মানুহবিলাকৰ ঘৰত গৈ সেইবোৰৰ বিষয়ে কওকগৈ। গল্পটো কৈ থাকোঁতে ছবিবোৰ দেখুওৱাক।
- এখন প্ৰশিক্ষন শিবিৰ পাতিবলৈ আঁচনি লওক, য'ত আপুনি বিশ্বাসী সকলক ছৱি, গান, কবিতা আদি সংস্কৃতিৰ লগত খাপ খোৱাকৈ ব্যৱহাৰ কৰি যীচুৰ গল্প কেনেকৈ ক'ব লাগে সেই বিষয়ে শিক্ষা দিব।

৩। **হবলগীয়া উপাসনাৰ কাৰণে আপোনাৰ সহ-কৰ্ম্মীৰ লগত আঁচনি কৰক।**

বৰ্ত্তমান সময়ৰ প্ৰয়োজন আৰু স্থানীয় অভ্যাস অনুসৰি কামবোৰ বাছি লওক।

আপুনি প্ৰথম ভাগত যীচুৰ জীৱনৰ বিষয়ে অধ্যয়ন কৰা এটা বা তাতোতকৈ অধিক ঘটনাবোৰ নাটক কৰি দেখুওৱাক।

আপুনি প্ৰথম ভাগত শিকা যীচুৰ বিষয়ে সাতোটা প্ৰয়োজনীয় কথা কওক আৰু সেইবোৰৰ বিষয়ে প্ৰশ্ন সোধক। মানুহবিলাকে যি জানে তাকে কবলৈ দিয়ক। মাত্ৰ যিটো মনত পেলাব নোৱাৰে সেইটোহে আপুনি কওক।

- ভাববাদীবিলাকে যীচুৰ বিষয়ে কি ভৱিষ্যৎবাণী কৰিছিল।
- যীচুৱে মানুহবিলাকৰ কাৰণে কি কৰিছিল।
- আমি কেনেকৈ জীয়াই থকা উচিত আৰু ভৱিষ্যতৰ পৃথিৱীখনৰ বিষয়ে যীচুৱে কি শিকাইছিল।
- যীচুৰ কেনেকৈ মৃত্যু হৈছিল আৰু কেনেকৈ মৃত্যুৰ পৰা উঠিল।
- মৃত্যুৰ পৰা উঠাৰ পিচত যীচুৱে কাৰ আগত দৰ্শন দিছিল।
- পাপৰ পৰা অনুতপ্ত হৈ তেওঁৰ পাছ লোৱা বিশ্বাসীসকলৰ কাৰণে পুনৰুত্থিত খ্ৰীষ্টই কি কৰিব বুলি প্ৰতিজ্ঞা কৰিছিল।
- অৱশেষত যীচুৱে এই পৃথিৱী কেনেকৈ এৰি থৈ গ’ল।

ল’ৰা-ছোৱালীবিলাকে যুগুত কৰা নাটক, কবিতা আৰু প্ৰশ্নবোৰ কৰিবলৈ দিয়ক।

প্ৰভূৰ মেজ আগবঢ়াবলৈ ইব্ৰী ৭ঃ৭-১২ পদ পঢ়ক। এই কথা বুজাই দিয়ক যে যীচুৱে তেওঁৰ পিতৃৰ সন্মুখত পুৰনি নিয়মত প্ৰধান পুৰোহিতে অতি পবিত্ৰস্থানত পশুৰ তেজৰ দ্বাৰাই সোমোৱাৰ দৰে নহয় কিন্তু তেওঁৰ নিজৰ তেজৰ দ্বাৰাইহে সোমাল। আপুনি প্ৰথম ভাগত পৰা তেওঁৰ ক্ৰুচীয় মৃত্যু আৰু শেষবাৰলৈ অহাৰ বিষয়ে যি অধ্যয়ন কৰিছিল, তাৰে কেইটামান পদ পঢ়ি দিব পাৰে।

**ইব্ৰী ১ঃ১-২ একেলগে মুখস্থ কৰক।**

মানুহবিলাকক এটি সৰু দলত গোট খাই ইজনে সিজনৰ কাৰণে প্ৰাৰ্থনা কৰিবলৈ আৰু যীচুৰ গল্প সকলো পৰিয়াল বন্ধু-বান্ধৱলৈ আৰু ওচৰে-পাজৰে থকা খ্ৰীষ্টক নজনা লোকবিলাকলৈ লৈ যাবলৈ প্ৰাৰ্থনা কৰিব দিয়ক।

Copyright 2004 © by Paul-Timothy. May be freely copied. Download from www.Paul-Timothy.net